# প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক

ড° ভূপেন হাজৰিকা

প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক
তোমাৰ প্ৰাপ্য কি কোৱা?
মনৰ দুৱাৰ মেলি নিৰ্ভীকভাৱে ক'লোঁ।
তোমাৰ শক্তিখিনি দিয়া।
বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কোৱা?
মই ক'লোঁ, বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া।

এদিন আকাশে ক'লে, জনৈক গীতিকাৰে
'অকণি আকাশ' দেখোঁ মাগে
তুমি কিয় আজি বাৰু কম্পিত কণ্ঠেৰে
মাগিছা সৰ্বাকাশ সত্তা?
মই ক'লোঁ, তুমিয়েতো কৈছিলা বাতিপুৱা
যিমানে বিলাই দিবা, সিমানে মহান হ'বা
তাৰে নাম সঁচা উদাৰতা।
সেয়েহে আকাশ তুমি দিব যদি খুজিছাই
সংকীৰ্ণতা এৰি দিয়া
অৰদান ৰূপে তোমাৰ পূৰ্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।

মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।

বজ্ৰৰ কণ্ঠেৰে ধুমুহাৰ শক্তিৰে
গীত গাই কঁপাম দিগন্ত
দানৱৰ সমাজতো গাম মানৱৰ গীত
কলিজাৰ সঁচা-সুৰ সিক্ত।

মুমূৰ্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ
আকাশ, ধুমুহা আৰু বজ্ৰক
তাৰ বাবে শতবাৰ প্ৰণিপাত কৰোঁ।

**কবি-পৰিচয় ঃ**

জন্ম শদিয়াত ১৯২৬ চনৰ ৮ চেপ্টেম্বৰত। গুৱাহাটী আৰু তেজপুৰত স্কুলীয়া শিক্ষা লাভ কৰে। গুৱাহাটীৰ কটন কলেজৰ পৰা আই. এ. পৰীক্ষাত উত্তীৰ্ণ হৈ বাৰাণসী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ উপাধি লাভ কৰে। পৰৱৰ্তী সময়ত কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰাও শিক্ষা বিজ্ঞানত স্নাতকোত্তৰ উপাধি লাভ কৰাৰ লগতে উক্ত বিশ্ববিদ্যালয়ৰ পৰাই পি. এইচ. ডি. উপাধি লাভ কৰে। বি. বৰুৱা মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনাৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰতো কাৰ্যনিৰ্বাহ কৰিছিল। অসাধাৰণ প্ৰতিভাৰ অধিকাৰী এইজনা ব্যক্তিয়ে ঘাইকৈ কণ্ঠশিল্পী, গীতিকাৰ, চলচ্চিত্ৰ পৰিচালক হিচাপে কেৱল অসম বা ভাৰততে নহয়, বিশ্বৰ বিভিন্ন স্থানত সমাদৰ পাবলৈ সক্ষম হৈছে। ১৯৫৬ চনত 'এৰাবাটৰ সুৰ' চলচ্চিত্ৰৰ যোগেদি চলচ্চিত্ৰ-পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিছিল আৰু আঠখন অসমীয়া, এখন বাংলা আৰু এখন হিন্দী চলচ্চিত্ৰ পৰিচালনা কৰিছিল। ইয়াৰে কেইখনমান হ'ল 'শকুন্তলা' (১৯৬১), 'প্ৰতিধ্বনি' (১৯৬৪), 'লটিঘটি' (১৯৬৬), 'চিকমিক বিজুলী' (১৯৬৯), 'চিৰাজ' (১৯৮৮) আদি। অসমীয়া চলচ্চিত্ৰৰ লগতে বাংলা, হিন্দী, ভোজপুৰী, কাৰ্বি, বড়ো, মালায়ালম ভাষাৰ শতাধিক ছবিৰ সংগীত পৰিচালনা কৰিছিল। পৰিচালনা কৰা তথ্যচিত্ৰৰ সংখ্যা নখন। কেইবাখনো চলচ্চিত্ৰত অভিনয় কৰিছিল। সম্পাদিত আলোচনী ঃ 'আমাৰ প্ৰতিনিধি', 'বিন্দু', 'প্ৰতিধ্বনি' আদি। ৰচিত গ্ৰন্থ পঞ্চাশখনতকৈও অধিক। ড° হাজৰিকাই দেশে-বিদেশে অৰ্ধশতাধিক বঁটা-সন্মান লাভ কৰিছিল।

ইয়াৰ ভিতৰত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক, শ্ৰেষ্ঠ সংগীত-পৰিচালনাৰ ৰাষ্ট্ৰীয় বঁটা, দাদা চাহেব ফাল্কে বঁটা, পদ্মভূষণ, অসম সাহিত্য সভাৰ সাহিত্যাচাৰ্য সন্মান আদি বিশেষভাৱে উল্লেখযোগ্য। ২০১১ চনৰ ৫ নবেম্বৰত মুম্বাইৰ কোকিলাবেন ধীৰুভাই আম্বানি হাস্পাতালত দেহাৱসান ঘটে।

আধুনিক অসমীয়া তথা ভাৰতীয় গীতি-কবিতাৰ ইতিহাসত ড° হাজৰিকাৰ গীতি-কবিতাসমূহে এক বিশেষ স্থান লাভ কৰিছে। মানুহৰ হৃদয়ৰ বিচিত্ৰ ভাবানুভূতিৰ লগতে প্ৰকৃতি আৰু মানৱ সমাজ-সংস্কৃতিক তেওঁ সংগীতৰ মূৰ্চ্ছনাৰে বাঙ্ময় কৰি তুলি অত্যন্ত হৃদয়স্পৰ্শী আবেদনৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

খ্ৰীষ্টীয় ১৯৬৩ চনত ৰচিত এই গীতি কবিতাটিৰ জৰিয়তে গীতিকাৰে প্ৰকৃতি জগতৰ নানা উপাদানৰ পৰা নানা গুণ আহৰণ কৰি মহৎ মানৱীয় অনুভূতিৰ জয়গান গাব বিচাৰিছে।

**পাঠবোধ ঃ**

কবিতাটোত প্ৰবাহিত হৈ আছে মানৱতাৰ সুৰ। ধুমুহাৰ দৰে প্ৰচণ্ড শক্তি লাভ কৰি সমাজৰ উত্তৰণত সেই শক্তি প্ৰয়োগ কৰিবলৈ কবি আগ্ৰহী। বজ্ৰৰ দৰে নিৰ্ভীকতা আৰু উদাত্ত কণ্ঠেৰে মানৱতাৰ জনগান গাবলৈ কবিয়ে যেন ইচ্ছা প্ৰকাশ কৰিছে। আকাশৰ বিশালতাই কবিক যেন সোঁৱৰাই দিছে— সংকীৰ্ণতাৰ পৰিধি ভঙা এক মানৱিক উদাৰতাৰ কথা। মুমূৰ্ষু মানৱক মানৱতাবোধেৰে পুনৰ সঞ্জীৱিত কৰাটোৱেই কবিতাটোৰ মুখ্য অভিপ্ৰায়।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | | |
|---|---|---|
| উদাত্ত কণ্ঠ | ঃ | গুৰু-গম্ভীৰ মাত। |
| কাম্য | ঃ | কামনা কৰা, বিচৰা। |
| জনৈক | ঃ | অনিৰ্দিষ্ট কোনো এজন। |
| সত্তা | ঃ | অস্তিত্ব; উপস্থিতি; বিদ্যমানতা। |
| সিক্ত | ঃ | তিতা; আৰ্দ্ৰ; ভিজা। |
| মুমূৰ্ষু | ঃ | মৃতপ্ৰায়। |
| প্ৰণিপাত | ঃ | সেৱা। |
| মনৰ দুৱাৰ মেলি | ঃ | অন্তঃকৰণেৰে; মুক্তভাৱে; অন্তৰত কোনো খোকোজা নৰখাকৈ। |
| বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে | ঃ | বজ্ৰই হৃদয় উদঙাই স্বাভাৱিক শব্দৰেই ক'লে। |

## প্ৰশ্নাৱলী

ভাব-বিষয়ক ঃ

১। চমু উত্তৰ দিয়া ঃ

(ক) কবিয়ে কাক সংকীৰ্ণতা এৰি দি পূৰ্ণ বিশালতা দিবলৈ আহ্বান জনাইছে?

(খ) কবিৰ প্ৰাপ্য কি তাক সুধি কোনে প্ৰশ্ন কৰিছিল?

(গ) কবিক বিশাল দৃষ্টি কোনে দিলে?

(ঘ) 'মুমূৰ্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ'—ইয়াত 'বিদ্যুৎ' শব্দই কি বুজাইছে?

(ঙ) প্ৰচণ্ড ধুমুহাই কবিক কি প্ৰশ্ন কৰিছিল?

২। বজ্ৰই কবিক কি কি দিলে?

৩। কবিয়ে 'সঁচা উদাৰতা' কথাষাৰেৰে কি বুজাব খুজিছে?

৪। কবিয়ে কিহৰ দ্বাৰা দিগন্ত কঁপাবলৈ মন মেলিছে চমুকৈ বুজাই লিখা।

৫। কবিয়ে কলিজাৰ সঁচা সুৰেৰে সিক্ত কৰি কাৰ সমাজত কি গীত গাবলৈ সাজু হৈছে?

৬। আকাশ, ধুমুহা আৰু বজ্ৰক কবিয়ে কি কাৰণে প্ৰণিপাত জনাইছে বহলাই লিখা।

৪। ব্যাখ্যা কৰা ঃ

(ক) বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কোৱা?
মই ক'লোঁ, বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া।

(খ) সেয়েহে আকাশ তুমি দিব যদি খুজিছাই
সংকীৰ্ণতা এৰি দিয়া
অৱদান-ৰূপে তোমাৰ পূৰ্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।

(গ) মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।

(ঘ) মুমূৰ্ষু মানৱক জীৱনৰ বিদ্যুৎ
কিঞ্চিতো যদি দিব পাৰোঁ
আকাশ, ধুমুহা আৰু বজ্ৰক
তাৰ বাবে প্ৰণিপাত কৰোঁ।

**ভাষা-বিষয়ক ঃ**

৫। তলত দিয়া শব্দবোৰৰ সমাৰ্থক শব্দ লিখা ঃ
ধুমুহা; বুকু; কাম্য; সংকীৰ্ণতা; বিশাল; দানৱ; প্ৰণিপাত; সিক্ত।

৬। তলত দিয়া শব্দকেইটাত কি কাৰণে 'ণ' হৈছে লিখা ঃ
কণ্ঠ; পূৰ্ণ; প্ৰচণ্ড; সংকীৰ্ণতা; প্ৰণিপাত।

৭। তলত দিয়া শব্দকেইটাত কি কাৰণে 'ষ' হৈছে লিখা ঃ
মুমূৰ্ষু; দৃষ্টি।

৮। সন্ধি ভাঙা ঃ
দিগন্ত; সৰ্বাকাশ; সংকীৰ্ণ।

●●●